## অতি নিষ্ঠাৰে ২৪ ঘণ্টাই এন আৰ চিৰ কামত ব্যস্ত থকা বিষয়াজনৰ কথাৰে

# পৰ্দাৰ আঁৰৰ ব্যক্তিজন



**এন আৰ চিৰ পৰা যে এজনো খিলঞ্জীয়া লোক বাদ নপৰে এই কথা মই গেৰাণ্টি দি ক'ব পাৰো ✓ মোৰ বিশ্বাস অসমৰ বাইজক এখন বিদেশী মুক্ত এন আৰ চি দিব পাৰিম**

এক্সক্লুচিভ

**সকলো** প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম অন্তৰ্ভুক্ত থকা তথা বিদেশীমুক্ত এখন ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) প্ৰস্তুত কৰাৰ বাবে দেশৰ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশনাৰে ভিত্তিত তথা উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণত সম্প্ৰতি অসমত অব্যাহত আছে এন আৰ চি উন্নীতকৰণৰ কাম। এন আৰ চি উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়া পৰিচালনাৰ বাবে উচ্চতম ন্যায়ালয়ে নোডেল বিষয়া হিচাপে নিযুক্তি দিয়া জ্যেষ্ঠ আই এ এছ বিষয়া প্ৰতীক হাজেলাই একে সময়তে এন আৰ চিৰ ৰাজ্যিক সমন্বয়ক হিচাপেও কাম কৰি আছে। এন আৰ চিক লৈ বিভিন্ন সময়ত বিভিন্ন বিতৰ্কৰ সৃষ্টি হ'লেও এইগৰাকী বিষয়াই অসমৰ বাবে এখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰাৰ বাবে দিনে-ৰাতি নিষ্ঠাৰে কাম কৰি আছে, সেয়া অতি প্ৰশংসনীয় বুলি বিবেচিত হৈছে। নিৰ্দিষ্ট সময়ৰ ভিতৰত সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ স্বাৰ্থত এখন শুদ্ধ আৰু বিদেশীমুক্ত এন আৰ চি প্ৰস্তুত কৰাৰ বাবেই ২৪ ঘণ্টাৰ অধিকাংশ সময় কেৱল এন আৰ চিৰ কাম-কাজতে অতিবাহিত কৰি অহা প্ৰতীক হাজেলাই 'দৈনিক জনমভূমি'ৰ সৈতে হোৱা এক আলোচনাত এন আৰ চি সম্পৰ্কত প্ৰকাশ কৰে বহু গুৰুত্বপূৰ্ণ তথ্য।

**প্ৰশ্ন ঃ এন আৰ চি প্ৰক্ৰিয়াৰ অগ্ৰগতি কেনেকুৱা ?**

**প্ৰতীক হাজেলা ঃ** আবেদন থকা মুঠ পৰিয়ালৰ ভিতৰত ২৫ শতাংশই বৰ্তমানলৈকে এন আৰ চিৰ প্ৰ-পত্ৰ দাখিল কৰিছে। ইতিমধ্যে প্ৰায় ১ লাখতকৈ বেছি প্ৰ-পত্ৰ এন আৰ চি সেৱা কেন্দ্ৰসমূহত জমা হৈছে। অনলাইনৰ মাধ্যমে কিছু অসুবিধা (সমস্যা) হৈছিল যদিও এতিয়া অনলাইনতো প্ৰ-পত্ৰ দাখিল বৃদ্ধি হৈছে। যোৱা ২৫ জুলাইৰ দিনা অনলাইনত ১১,৫১৭খন প্ৰ-পত্ৰ দাখিল হৈছে। ইয়াৰ পূৰ্বে একেদিনত সৰ্বাধিক ৫ হাজাৰখন প্ৰ-পত্ৰ দাখিল হৈছিল। ছাৰ্ভাৰৰ অসুবিধা থকাৰ বাবে বিষয়টো কোম্পানীটোৰ লগত আলোচনা কৰি অসুবিধা আঁতৰোৱা হৈছে। কিন্তু এই সমস্যাবোৰ লাহে লাহে ঠিক হৈছে। এতিয়া প্ৰতিদিনে প্ৰ-পত্ৰ দাখিল

> এইটো খুবেই সম্ভাৱনা আছে। একাংশই এনিমিলাৰ লিংক কৰাই লৈ লিগেচি ডাটা ব্যৱহাৰ কৰি অন্য নথি-পত্ৰ তৈয়াৰ কৰিব পাৰে। কিন্তু ছফ্টৱেৰৰ জৰিয়তে এনে এক ছিষ্টেম প্ৰস্তুত কৰা হৈছে যোনো এজন লোকৰ বিপৰীতে যদি খুব বেছি সন্তান দেখুওৱা হৈছে তেতিয়া ছফ্টৱেৰে সতৰ্ক বাৰ্তা দিব। লিগেচি ডাটাত এজন ব্যক্তিৰ বিপৰীতে বিভিন্ন স্থানত বিভিন্নজনে পিতৃৰূপে দেখুৱালেও সেয়া ফিল্ড ভেৰিফিকেশ্যনত ধৰা পৰিব। যদি কোনো লোকে ভুৱা লিগেচি ডাটা ব্যৱহাৰ কৰে সেয়াও ধৰা পৰিব।

বৃদ্ধি হৈছে। অনলাইনতে এনে যোৱা শনিবাৰে ২২ জুলাইত ১ লাখ ১৪ হাজাৰখন প্ৰ-পত্ৰ গ্ৰহণ কৰা হৈছে। অফলাইনত কেৱল ৮১খন প্ৰ-পত্ৰহে জমা হৈছিল। বাইজে লাহে লাহে আগ্ৰহ প্ৰকাশ কৰিছে। সেৱা কেন্দ্ৰসমূহত প্ৰ-পত্ৰ দাখিল প্ৰক্ৰিয়া অলপ দীঘলীয়া যদিও ই অত্যন্ত জৰুৰী। আমাৰ কৰ্মৰত বাবে বাইজৰ বিশ্বাস থাকে ইয়াৰ সু-ব্যৱস্থা কৰা হৈছে। সেৱা কেন্দ্ৰত অপাৰেটৰে কি কাম কৰি আছে, ইয়াক অন্য এজন স্ক্ৰীনত বাইজে প্ৰত্যক্ষ কৰিব পাৰে। এন আৰ চি এনে এক বিষয় য'ত ভুল হোৱাৰ সুবিধা নাই। বিশ্বাস বৃদ্ধিৰ কাৰণে ছিষ্টেমেটিক ভেৰিফিকেশন কৰা হৈছে। এনেকুৱা কাম দেশৰ কোনো ঠাইতে হোৱা নাই। সেয়েহে প্ৰথমতে আমাৰ বাবে কিছু অসুবিধাৰ সন্মুখীন

শেষ পৃষ্ঠাত